**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***
------------------------------

১। জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত আজি সমগ্ৰ দেশবাসীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। নতুন দিল্লীৰ ৰাজঘাটৰ বাপুৰ সমাধিস্থলীত গান্ধী জয়ন্তীৰ অনুষ্ঠানত ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীকে ধৰি বিশিষ্ট ব্যক্তিসকলে মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰে।

২। স্বচ্ছ ভাৰত অভিযানৰ ১০ বছৰীয়া বৰ্ষপূৰ্তিৰ অনুষ্ঠানত ভাগ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এখন পৰিষ্কাৰ, পৰিচ্ছন্ন ভাৰত লাভ কৰিবলৈ নিৰৱচ্ছিন্নভাৱে প্ৰয়াস অব্যাহত ৰাখিব লাগিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমত স্থাপন হ'বলগীয়া চাৰিটা গুৰুত্বপূৰ্ণ প্ৰকল্পকে ধৰি দেশৰ মুঠ ৩৩টা সংকুচিত জৈৱ গেছ প্ৰকল্পৰ আঁচনিৰ কামৰ শুভাৰম্ভণিৰ অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অধ্যক্ষতা কৰে।

৪। ইৰাণে যোৱা নিশা ইজৰাইলৰ বিৰুদ্ধে প্ৰত্যক্ষ আক্ৰমণ সংঘটিত কৰি প্ৰায় ২০০টা ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰাৰ ফলত অঞ্চলটোত যুদ্ধসদৃশ পৰিৱেশৰ সূচনা হৈছে। **আৰু**

৫। পেৰুৰ লীমাত অনুষ্ঠিত আই এছ এছ এফ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপ শ্বুটিং প্ৰতিযোগিতাৰ মহিলাৰ ২৫ মিটাৰ পিষ্টল শাখাত ভাৰতৰ দিৱাংশীয়ে সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত আজি সমগ্ৰ দেশবাসীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। নতুন দিল্লীৰ ৰাজঘাটৰ বাপুৰ সমাধিস্থলীত গান্ধী জয়ন্তী উপলক্ষে আজি এখন সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভা অধ্যক্ষ ওম বিৰলা, বহুকেইজন কেন্দ্ৰীয় মন্ত্ৰীৰ লগতে লোকসভা দলৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক মহাত্মা গান্ধীৰ সপোনৰ ভাৰতৰ ধাৰণাৰে সত্য, অহিংসা, প্ৰেম আৰু বিশুদ্ধতাৰ মূল্যবোধক গ্ৰহণ কৰাৰ সংকল্প ল'বলৈ আহ্বান জনাইছে। জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দেশ আৰু সমাজৰ উন্নয়ন অবিৰতভাৱে আগুৱাই নিবলৈ জনসাধাৰণক চেষ্টা কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাই সত্য আৰু সমতাৰ ভিত্তিত আধাৰিত মহামানৱগৰাকীৰ জীৱন আৰু আদৰ্শই দেশবাসীক সদায় অনুপ্ৰেৰণা যোগাব বুলি উল্লেখ কৰে।

ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ ১২০ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশবাসীয়ে তেওঁক স্মৰণ কৰে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ লগতে শাসক বিৰোধীৰ বহুকেইজন নেতা-মন্ত্ৰীও দিল্লীৰ বিজয় ঘাটৰ নেতাগৰাকীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এখন পৰিষ্কাৰ, পৰিচ্ছন্ন ভাৰত লাভ কৰিবলৈ নিৰৱচ্ছিন্নভাৱে প্ৰয়াস অব্যাহত ৰাখিব লাগিব। নতুন দিল্লীত আজি স্বচ্ছ ভাৰত অভিযানৰ ১০ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে স্বচ্ছতাই সেৱা ২০২৪ অনুষ্ঠানত এই মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে স্বচ্ছতাক এক গণ আন্দোলনৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত ১৪০ কোটি দেশবাসীৰ প্ৰচেষ্টাক সন্মান প্ৰদৰ্শন কৰে। স্বচ্ছ ভাৰত অভিযানৰ সফলতাত প্ৰতিজন ভাৰতীয়ই অৱদান আগবঢ়াইছে বুলিও তেওঁ মন্তব্য কৰে। ইয়াৰ সৈতে সংগতি ৰাখি আজি বিশ্বৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা স্বচ্ছতা অভিযানৰ ১০ বছৰীয়া বৰ্ষপূৰ্তিৰ অনুষ্ঠানত বহুকেইজন মুখ্যমন্ত্ৰী, মন্ত্ৰী তথা চৰকাৰৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰাৰ কথাও তেওঁ বক্তব্যত উল্লেখ কৰে।

শ্ৰীমোদীয়ে উল্লেখ কৰে যে কেৱল মাত্ৰ ১৫ দিনীয়া সেৱা পাখৰাড়াত সমগ্ৰ দেশতে ২৭ লক্ষাধিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে, য'ত ২৪ কোটিতকৈও অধিক দেশবাসীয়ে অংশগ্ৰহণ কৰিছে। জাতিৰ পিতা মহাত্মা গান্ধীৰ লগতে ভাৰতৰ মহানমনিষীসকলে দেখা সপোনৰ ভাৰতখন লাভ কৰিবলৈ আজিৰ দিনটোৱে অনুপ্ৰাণিত কৰে বুলি মোদীয়ে কয়। এই অভিযানৰ সফলতাৰ বাবে তেওঁ সমগ্ৰ দেশবাসীৰ লগতে চাফাই কৰ্মী, ধৰ্মীয় গুৰু, ক্ৰীড়াবিদ, জনপ্ৰিয় ব্যক্তিসকল, বিভিন্ন বেচৰকাৰী সংস্থাৰ লগতে সংবাদকৰ্মীসকলৰ শলাগ লয়।

এই অনুষ্ঠানত অনাময় আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সৈতে জড়িত ৯ হাজাৰ ৬০০ কোটি টকাৰ অধিক মূল্যৰ কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ কৰে। ইয়াৰ ভিতৰত আমৰুট আৰু আমৰুট দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰকল্প, স্বচ্ছ গংগাৰ বাবে ৰাষ্ট্ৰীয় অভিযান আৰু গোবাৰ্ধন আঁচনিৰ অধীনত ১৫টা সংকুচিত বায়'গেছ প্ৰকল্প অন্যতম।

আজিৰ পৰা হাজাৰ বছৰ পাছত যেতিয়া একবিংশ শতিকাৰ ভাৰতৰ কথা মানুহে পঢ়িব তেতিয়া স্বচ্ছ ভাৰত অভিযানৰ কথা নিশ্চকৈ মনত পেলাব। এই অভিযানক দেশৰ সৰ্ববৃহৎ সফল গণ আন্দোলন বুলিও শ্ৰীমোদীয়ে কয়।

অনুষ্ঠানত কেন্দ্ৰীয় জলশক্তি দপ্তৰৰ মন্ত্ৰী চি আৰ পাটিল, গৃহনিৰ্মাণ আৰু নগৰীয়া পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালৰ লগতে বিভিন্ন মন্ত্ৰালয়ৰ সচিবসকল উপস্থিত থাকে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে যোৱা নিশা ৱাশ্বিংটনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক সচিব এণ্টনি ব্লিংকেনৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। নেতা দুগৰাকীয়ে কোৱাড বৈঠক আৰু আমেৰিকাৰ ডেলাৱেৰত শেহতীয়াকৈ অনুষ্ঠিত দ্বিপাক্ষিক বৈঠকৰ পৰৱৰ্তী পৰ্যায়ৰ বিষয়সমূহ আলোচনা কৰে। তেওঁলোকৰ এই আলোচনাত দ্বিপাক্ষিক সহযোগিতা, পশ্চিম এছিয়াৰ পৰিস্থিতি, ভাৰতীয় উপ-মহাদেশৰ শেহতীয়া ঘটনাৱলী, ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল আৰু ইউক্ৰেইনকে ধৰি বিভিন্ন প্ৰসংগই স্থান লাভ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমত স্থাপন হ'বলগীয়া চাৰিটা গুৰুত্বপূৰ্ণ প্ৰকল্পকে ধৰি দেশৰ মুঠ ৩৩টা সংকুচিত জৈৱ গেছ প্ৰকল্পৰ আঁচনিৰ কামৰ শুভাৰম্ভণিৰ অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অধ্যক্ষতা কৰে।

উল্লেখযোগ্য যে অইল ইণ্ডিয়া লিমিটেডে গুৱাহাটী, যোৰহাট, শিৱসাগৰ আৰু তিনিচুকীয়াত চাৰিটা এনে প্ৰকল্প স্থাপন কৰিবলৈ লৈছে। কেন্দ্ৰীয় চৰকাৰৰ ভৱিষ্যমুখী দীৰ্ঘস্থায়ী শক্তি সম্পৰ্কীয় দৃষ্টিভংগীৰ অধীনত ৰাজহুৱা খণ্ডৰ গোটলৈ আগবঢ়োৱা বিনিয়োগ আৰু ব্যক্তিগত উদ্যমীৰ সৈতে সহযোগিতাৰে ৰূপায়ণ কৰিবলগীয়া আঁচনিৰ অংশ হিচাপে প্ৰতিষ্ঠানটোৱে এই প্ৰকল্পকেইটা স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

নগৰীয়া গোটা আৱৰ্জনাক জৈৱ গেছলৈ ৰূপান্তৰৰ জৰিয়তে অৰ্থনীতি, পৰিৱেশ তথা সমাজৰ প্ৰতি বৰঙনি আগবঢ়োৱাৰ উদ্দেশ্যৰে অইল ইণ্ডিয়া লিমিটেডে এই আঁচনি ৰূপায়ণ কৰিবলৈ লৈছে। ইয়াৰ জৰিয়তে দৈনিক ১২৫ টন আৱৰ্জনা নিষ্কাষণ কৰি তাৰ পৰা দিনটোত প্ৰায় ২ টন পৰিমাণৰ সংকুচিত জৈৱ গেছ উৎপাদন কৰিব পৰা হ'ব। ইয়াৰ ফলত প্ৰদূষণৰ পৰিমাণ উল্লেখনীয়ভাৱে হ্ৰাস পোৱাৰ লগতে কৰ্ম সংস্থাপনো সুযোগ বৃদ্ধি পাব। প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত আজি অনুষ্ঠিত শুভাৰম্ভণি অনুষ্ঠানত অসমৰ চাৰিওটা স্থানতে বহুকেইগৰাকী জ্যেষ্ঠ চৰকাৰী বিষয়াৰ লগতে উদ্যোগ জগতকে ধৰি সমাজৰ কেইবাগৰাকীও গন্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

ইৰাণে যোৱা নিশা ইজৰাইলৰ বিৰুদ্ধে প্ৰত্যক্ষ আক্ৰমণ সংঘটিত কৰি প্ৰায় ২০০টা ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰাৰ ফলত অঞ্চলটোত যুদ্ধসদৃশ পৰিৱেশৰ সূচনা হয়। এই আক্ৰমণত ইজৰাইলৰ সংশ্লিষ্ট অঞ্চলৰ জনসাধাৰণ আতংকগ্ৰস্ত হৈ পৰাৰ লগতে তেওঁলোকে ততাতৈয়াকৈ নিৰাপদ স্থানত আশ্ৰয় ল'বলগীয়া হয়। ইৰাণে হিজবুল্লা আৰু হামাছৰ বিষয়ববীয়াৰ শেহতীয়া হত্যাকাণ্ডৰ প্ৰত্যুত্তৰ হিচাপে এই আক্ৰমণ সংঘটিত কৰা বুলি দাবী কৰিছে।

ইজৰাইলৰ সেনাবাহিনীৰ ৰেডিঅ'ত প্ৰকাশ পোৱা মতে ইজৰাইলে নিক্ষেপ কৰা প্ৰায় ১৮০টা ক্ষেপণাস্ত্ৰৰ অধিকাংশকেই আটবাটতে নিষ্ক্ৰিয় কৰি পেলোৱা হয়। যোৱা নিশা সংঘটিত ইৰাণৰ এই আক্ৰমণৰ ফলত কোনো লোক হতাহত হোৱা নাই বুলি দাবী কৰি ইজৰাইলৰ সেনাবাহিনীৰ এগৰাকী মুখপাত্ৰই কয় যে, সম্প্ৰতি ইজৰাইলৰ আকাশত কোনোধৰণৰ আক্ৰমণৰ ভাবুকি পৰিলক্ষিত হোৱা নাই। ইজৰাইলী বায়ুসেনা বাহিনী শক্তিশালী আক্ৰমণাত্মক স্থিতিৰে প্ৰস্তুত হৈ থকা বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

আনহাতে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে যোৱা নিশা আক্ৰমণৰ ঘটনাটোৰ জৰিয়তে এটা গুৰুতৰ ভুল কৰা বুলি উল্লেখ কৰি ইয়াৰ বাবে মূল্য ভৰিব লাগিব বুলি তেহৰাণক সকীয়াই দিয়ে। দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰীয়েও বিগত বৰ্ষৰ ঘটনাৱলীৰ পৰা ইৰাণে কোনোধৰণৰ শিকনি গ্ৰহণ নকৰিলে বুলি প্ৰকাশ কৰে। ইপিনে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ প্ৰশাসনে ইজৰাইলৰ প্ৰতি সমৰ্থন অব্যাহত ৰখাৰ অংগীকাৰ কৰাৰ লগতে তেওঁলোকৰ মিত্ৰদেশখনৰ বিৰুদ্ধে আক্ৰমণ সংঘটিত কৰাৰ বাবে ইৰাণে গুৰুতৰ ফল ভুগিব লাগিব বুলি সকীয়াই দিয়ে।

০০০০০০০

ক্লডিয়া শ্বেইনবমে কালি মেক্সিকোৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি হিচাপে শপতগ্ৰহণ কৰে। দেশখনৰ পূৰ্বৰ জনপ্ৰিয় ৰাষ্ট্ৰপতি এণ্ড্ৰেজ মেনুৱেল ল'পেজ অব্ৰেডৰৰ স্থলাভিষিক্ত হৈ তেওঁ এই দায়িত্ব গ্ৰহণ কৰে। বিজ্ঞানী হিচাপে কাৰ্যনিৰ্বাহ কৰি ৰাজনৈতিক ক্ষেত্ৰলৈ অহা ৬২ বছৰীয়া শ্বেইনবমে ২০৩০ চন পৰ্যন্ত পৰৱৰ্তী ৬

বছৰৰ বাবে এই পদত কাৰ্যনিৰ্বাহ কৰিব। নেত্ৰীগৰাকীৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে তেওঁৰ বৃহৎ সংখ্যক সমৰ্থক কালি নিচেই পুৱাৰে পৰা শপতগ্ৰহণস্থলীত উপস্থিত হোৱা পৰিলক্ষিত হয়।

০০০০০০০

পেৰুৰ লীমাত অনুষ্ঠিত আই এছ এছ এফ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপ শ্বুটিং প্ৰতিযোগিতাৰ মহিলাৰ ২৫ মিটাৰ পিষ্টল শাখাত ভাৰতৰ দিৱাংশীয়ে সোণৰ পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাৰ কালি চতুৰ্থ দিনটোত অনুষ্ঠিত চূড়ান্ত খেলখনত ভাৰতৰ প্ৰতিযোগীগৰাকীক ইটালীৰ ক্ৰিষ্টিনা মাগনানীক পৰাভূত কৰি শীৰ্ষ স্থানত উপনীত হয়। এই প্ৰতিযোগিতাত ফ্ৰান্সৰ হেল'ইজ ফ'ৰে তৃতীয় স্থান দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতৰ তেজস্বীনী আৰু বিভূতি ভাটিয়া লগ লাগি মহিলাৰ জুনিয়ৰ প্ৰতিযোগিতাৰ ২৫ মিটাৰ পিষ্টল শাখাত খিতাপ অৰ্জন কৰা দিৱাংশীয়ে একেখন প্ৰতিযোগিতাত দ্বৈত সোণৰ পদক লাভৰ কৃতিত্ব অৰ্জন কৰিছে।

উল্লেখযোগ্য যে আই এছ এছ এফ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপ শ্বুটিং প্ৰতিযোগিতাত দহটা সোণ, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জকে ধৰি মুঠ ১৪টা পদকেৰে পদকৰ তালিকাত সম্প্ৰতি শীৰ্ষ স্থান অধিকাৰ কৰি আছে। এই তালিকাত আমেৰিকা যুক্তৰাষ্ট্ৰ দ্বিতীয় আৰু ইটালী তৃতীয় স্থানত থকাৰ বিপৰীতে চীন সম্প্ৰতি চতুৰ্থ স্থানত আছে।

০০০০০০০

সমাপ্ত